**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
----------------------

১। কেন্দ্ৰত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰৰ আজি তৃতীয়বাৰৰ বাবে শপতগ্ৰহণ। কেইবাখনো দেশৰ শীৰ্ষ নেতাৰ উপস্থিতিত ৰাষ্ট্ৰপতিভৱনত সন্ধিয়া বিশেষ অনুষ্ঠান।

২। ছোনিয়া গান্ধী কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ নিৰ্বাচিত। ৰাহুল গান্ধীক লোকসভাৰ বিৰোধী দলপতি হিচাপে বাছনি।

৩। উত্তৰ-পূৰ্বাঞ্চলক দেশৰ মূল সুঁতিৰ সৈতে একাত্ম কৰাৰ বাবে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে ২০১৪ চনৰ পৰা ব্যৱস্থা গ্ৰহণ কৰি অহা বুলি ৰাজ্যিক বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱাৰ প্ৰকাশ।

৪। ৰাজ্যত পঞ্চায়ত নিৰ্বাচন কংগ্ৰেছে অকলে খেলিব বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ ঘোষণা।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ভাৰত পাকিস্তানৰ মুখামুখি।

০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে আজি সন্ধিয়া তৃতীয়বাৰৰ বাবে শপতগ্ৰহণ কৰিব। এই উপলক্ষে আজি সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদী আৰু নতুন মন্ত্ৰী পৰিষদৰ সদস্য সকলক আজি পদ আৰু গোপনীয়তাৰ ৰক্ষা শপতবাক্য পাঠ কৰোৱাব।

প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত হোৱাৰ পাছত নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা হিচাপে বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিবলগীয়া নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানলৈ চুবুৰীয়া দেশৰ ভালেসংখ্যক নেতাক আমন্ত্ৰণ জনোৱা হৈছে। চুবুৰীয়া ৰাষ্ট্ৰ আৰু ভাৰত মহাসাগৰ অঞ্চলৰ কেইবাগৰাকীও নেতা শপতগ্ৰহণ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

বিদেশ মন্ত্ৰালয়ৰ তথ্য মতে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰণিল বিক্ৰমসিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ডঃ মহম্মদ মুইজ্জু, চিচিলিৰ উপ-ৰাষ্ট্ৰপতি অহমদ অফিফ, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা, মৰিছাচৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ কুমাৰ জগনৌথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্পকমল দাহাল প্ৰচণ্ড আৰু ভূটানৰ ৰাষ্ট্ৰপতি শ্বেৰিং টোবগে শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব। বাংলাদেশৰ প্ৰধানমন্ত্ৰী আৰু চিচিলিৰ উপ ৰাষ্ট্ৰপতি শপতগ্ৰহণ

অনুষ্ঠানত ভাগ লোৱাৰ বাবে ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে। শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলগীয়া এই নেতাসকলে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজন কৰা নৈশ ভোজত অংশগ্ৰহণ কৰিব। ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি আৰু অঞ্চলটোৰ সকলোৰে সুৰক্ষা আৰু বিকাশ দৃষ্টিভংগী অনুসৰি এই নেতাসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। দিল্লী আৰক্ষীয়ে শপত গ্ৰহণ অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত কঠোৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিছে। শপতগ্ৰহণ অনুষ্ঠানৰ সময়ছোৱাত দিল্লীত পেৰাগ্লাইডাৰ, পেৰাম'টৰ্ছ, হেংগ্লাইডাৰছ, মানৱৰহিত আকাশীযান আৰু উষ্ণ বায়ু চালিত বেলুনসহ পৰম্পৰাগত আকাশী যানৰ উৰণৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা আজি আৰু কাইলৈ প্ৰযোজ্য থাকিব।

আকাশবাণী দিল্লীয়ে সন্ধিয়া ৬ বাজি ৪৫ মিনিটৰ পৰা শপতগ্ৰহণ অনুষ্ঠানৰ চলন্ত বিৱৰণী পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই কাৰ্যসূচী আকাশবাণীৰ এফ এম গ'ল্ড, ইন্দ্ৰপ্ৰস্থ আৰু আকাশবাণী লাইভ নিউজ চেনেলত শুনিবলৈ পোৱা যাব। আকাশবাণীৰ ইউ টিউব চেনেল, আকাশবাণী এ আই আৰৰ যোগেও এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়াৰ আঞ্চলিক বাতৰি ৬ বাজি ৪৫ মিনিটৰ পৰিৱৰ্তে ৬ বাজি ৩০ মিনিটত প্ৰচাৰ কৰা হব। আনহাতে, ৭ বাজি ১০ মিনিটৰ অসমীয়া বাতৰি নিশা ৮ বাজি ৩৫ মিনিটত প্ৰচাৰ কৰা হ'ব। অৱশ্যে শপতগ্ৰহণ কাৰ্যসূচী দীঘলীয়া হ'লে এই কাৰ্যসূচী শেষ হোৱাৰ লগে লগে বাতৰি প্ৰচাৰ কৰা হ'ব।

০০০০০০

জ্যেষ্ঠ নেত্ৰী ছোনিয়া গান্ধীক কংগ্ৰেছৰ সংসদীয় দলৰ অধ্যক্ষ হিচাপে সৰ্বসন্মতি ক্ৰমে বাছনি কৰা হৈছে। কালি সন্ধিয়া সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত দলৰ নেতা ৰাজীৱ শুক্লাই কয় যে, তেওঁ ইতিমধ্যে পদ গ্ৰহণ কৰিছে।

ইয়াৰ পূৰ্বে, কালি কংগ্ৰেছ দলৰ সম্প্ৰসাৰিত কাৰ্যকৰী কমিটিয়ে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি ৰাহুল গান্ধীক লোকসভাৰ বিৰোধী দলৰ নেতাৰ ভূমিকা পালন কৰিবলৈ অনুৰোধ জনায়। নতুন দিল্লীত অনুষ্ঠিত কংগ্ৰেছ দলৰ কাৰ্যকৰি কমিটিৰ বৈঠকৰ অন্তত এখন সংবাদ মেল সম্বোধন কৰি দলৰ জ্যেষ্ঠ নেতা কে চি বেণুগোপালে কয় যে, কাৰ্যকৰী কমিটিয়ে ৰাহুল গান্ধীৰ নেতৃত্বত শক্তিশালী আৰু সতৰ্ক বিৰোধী গঠন হ'ব বুলি বিশ্বাস কৰে। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে কয় যে, সদ্যসমাপ্ত নিৰ্বাচনৰ পৰা দলে নতুন শক্তি লাভ কৰিছে। তেওঁ কয় যে, কংগ্ৰেছে নিৰ্বাচনত ৰাজ্যিক পৰ্যায়ত  দলৰ প্ৰদৰ্শনৰ পুংখানুপুংখ বিশ্লেষণ কৰিব।

ইয়াৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই বৈঠকৰ আৰম্ভণিতে প্ৰতিকূল পৰিস্থিতি স্বত্বেও নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈ জয়লাভ কৰা দলৰ নৱ-নিৰ্বাচিত সদস্যসকলক অভিনন্দন জনায়। তেওঁ কয় যে, কংগ্ৰেছে ন্যায় যাত্ৰা আৰম্ভ কৰা মণিপুৰৰ দুয়োখন আসনতে জয়লাভ কৰিছে আৰু নাগালেণ্ড, অসম, মেঘালয়তো ভাল প্ৰদৰ্শন দেখুৱাবলৈ সমৰ্থ হৈছে। কংগ্ৰেছ দলে গণতন্ত্ৰ আৰু সংবিধানৰ ৰক্ষাৰ বাবে সমগ্ৰ দেশত জনসাধাৰণৰ পৰা যথেষ্ট সমৰ্থন লাভ কৰিছে বুলি সভাপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীখাৰ্গেই কয় যে, দলে আই এন ডি আই মিত্ৰজোঁটৰ সহযোগী দলসমূহৰ সৈতে সংসদৰ বাহিৰে ভিতৰে ঐক্যবদ্ধভাৱে কাম কৰিব।

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে শিক্ষক-কৰ্মচাৰীৰ উপস্থিতি আৰু নিৰ্ধাৰিত সময়ত কৰ্তব্য সম্পাদন কৰাটো নিশ্চিত কৰিবলৈ নতুন নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুযায়ী শিক্ষক-কৰ্মচাৰীসকলে বিদ্যালয়ত

প্ৰৱেশ আৰু প্ৰস্থানৰ সময় শিক্ষা সেঁতু এপত বাধ্যতামূলকভাৱে চিহ্নিত কৰিব লাগিব। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি শিক্ষাক-কৰ্মচাৰীসকল নিৰ্ধাৰিত সময়ৰ ১৫ মিনিট পলমকৈ বিদ্যালয়ত উপস্থিত হ'ব নোৱাৰিব। একেদৰে নিৰ্দিষ্ট সময়ৰ ১৫ মিনিট পূৰ্বেও কোনেও কৰ্তব্যস্থলী এৰি যাব নোৱাৰিব। কৰ্তব্যস্থলীত নিৰ্দিষ্ট সময়তকৈ পলমকৈ উপস্থিত হোৱা বা নিৰ্দিষ্ট সময়ৰ পূৰ্বে ত্যাগ কৰাৰ দৰে কাৰ্য প্ৰতিমাহত ২ বাৰতকৈ অধিক হ'লে শিক্ষক কৰ্মচাৰী অৰ্ধদিনৰ আৰ্জিত ছুটি কৰ্তন হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

ইফালে ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে গৰম বন্ধৰ আগে আগে ৰাজ্যৰ যিসকল শিক্ষক বদলিৰ বাবে যোগ্য তেওঁলোকে বদলিৰ চৰকাৰী নিৰ্দেশনা লাভ কৰিব বুলিও প্ৰকাশ কৰিছে।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলক দেশৰ মূল সুঁতিৰ সৈতে একাত্ম কৰি তোলাৰ বাবে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে ২০১৪ চনৰ পৰা বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে আৰু নতুন চৰকাৰখনেও এই প্ৰচেষ্টা অব্যাহত ৰাখিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত **মোদীৰ তৃতীয় কাৰ্যকাল'** বিষয়ক আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ ৰাজ্যিক মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই এইদৰে কয়। বিদ্ৰোহী সংগঠনসমূহৰ সৈতে শান্তি আলোচনা চলি থকাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে, অসমৰ ৪ খন জিলাৰ বাহিৰে আন জিলাসমূহত সশস্ত্ৰবাহিনীৰ বিশেষ ক্ষমতা আইন বাতিল কৰা হৈছে। তৃতীয় বাৰৰ বাবে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰক নিৰ্বাচন কৰাৰ বাবে ভোটাৰ ৰাইজক কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁ কয় যে, এইবাৰৰ নিৰ্বাচনত বিজেপিৰ লগতে এন ডি এ মিত্ৰজোঁটৰ আঞ্চলিক দলসমূহৰ শক্তিশালী উত্থান পৰিলক্ষিত হৈছে। বিজেপিৰ কল্যাণকামী পদক্ষেপসমূহে ধৰ্মীয় সংখ্যালঘুকে সামৰি সকলো শ্ৰেণীৰ লোককে উপকৃত কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, কৰিমগঞ্জ লোকসভা সমষ্টিত বিজয়ে দলটোৰ প্ৰতি সংখ্যালঘু শ্ৰেণীৰ সমৰ্থনকে বুজায়।

আনহাতে আলোচনাত অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতাই সাধাৰণ নিৰ্বাচনৰ ফলাফল দেশৰ গণতন্ত্ৰৰ বাবে শুভ লক্ষ্যণ বুলি উল্লেখ কৰে। নাগৰিকত্ব সংশোধনী আইন, উমৈহতীয়া দেৱানীবিধি আদিৰ ক্ষেত্ৰত আগৰ দৰেই ৰাজ্যিক পৰ্যায়ত বিৰোধিতা অব্যাহত থকাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি তেওঁ কয় যে, নতুন চৰকাৰখনক দুৰ্বল বুলি ভবাটো ভুল হ'ব। পূৰ্বৰ মিত্ৰজোঁটৰ চৰকাৰসমূহৰ তুলনাত এইখন চৰকাৰ যথেষ্ট শক্তিশালী বুলিও তেওঁ মন্তব্য কৰে। ইপিনে, সামাজিক মাধ্যমত উৰা বাতৰি প্ৰচাৰৰ ক্ষেত্ৰত নিয়ন্ত্ৰণৰ প্ৰয়োজন আছে বুলি সাংবাদিকগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

ওড়িশাত কাইলৈ বিজেপিৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণৰ প্ৰস্তুতি অব্যাহত আছে। এই শপতগ্ৰহণ অনুষ্ঠান ভুৱনেশ্বৰৰ জনতা ময়দানত অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে কাইলৈ পুৱা বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰস্তুতি চলি আছে যদিও বিজেপিয়ে এই পৰ্যন্ত মুখ্যমন্ত্ৰী কোন হ'ব সেয়া চূড়ান্ত কৰা নাই। জানিব পৰা মতে, দিল্লীত দলৰ সংসদীয় পৰিষদে ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী নিৰ্বাচন কৰিব। বিজেপিৰ ৭৮ গৰাকী বিধায়কেৰে গঠিত বিধায়িনী দলৰ বৈঠকত নেতা নিৰ্বাচন কৰা হ'ব আৰু এই বৈঠকত দলৰ দুগৰাকী কেন্দ্ৰীয় পৰ্যৱেক্ষক উপস্থিত থাকিব। মুখ্যমন্ত্ৰীপদৰ বাবে সম্ভাব্য কেইবাগৰাৰীও প্ৰাৰ্থীৰ নাম উচ্চাৰিত হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে ছবাৰৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী জুৱেল অ'ৰাম, জ্যেষ্ঠ নেতা তথা সাংসদ ধৰ্মেন্দ্ৰ প্ৰধান, নৱনিৰ্বাচিত বিধায়ক ক্ৰমে সুৰেশ পূজাৰী, মোহন চৰণ মাঝি আৰু

জম্মু-কাশ্মীৰৰ প্ৰাক্তন উপ-ৰাজ্যপাল তথা নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক গিৰীশ চন্দ্ৰ মুৰ্মু। ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰত বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে ওড়িশাৰ নতুন মুখ্যমন্ত্ৰীগৰাকী ভূমিপুত্ৰ হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। বিজেপিয়ে ওড়িশাৰ বিধানসভা নিৰ্বাচনত মুঠ ১৪৭খন আসনৰ ভিতৰত ৭৮ খনত বিজয় সাব্যস্ত কৰে। আনহাতে বি জে ডিয়ে ৫১ খন, কংগ্ৰেছে ১৪ খন আৰু অন্যান্য দলে ৪খন আসন লাভ কৰে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলকে ধৰি পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড, ওড়িশা, মধ্যপ্ৰদেশ আৰু ছত্তিশগড়ত অহা ৫ দিনলৈ বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকণিৰে সৈতে পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। গোৱা, মহাৰাষ্ট্ৰ, কৰ্ণাটক, কেৰালা আৰু লাক্ষা দ্বীপতো অহা ৪ দিনলৈ বতৰ ডাৱৰীয়া হৈ থাকিব বুলি বিভাগটোৱে প্ৰকাশ কৰিছে। আনহাতে জম্মু-কাশ্মীৰ, লাডাখ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডত আজি বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। ইপিনে, পূব আৰু মধ্য ভাৰতৰ কোনো কোনো অংশত অহা ৪ দিন পৰ্যন্ত গ্ৰীষ্মপ্ৰবাহ অব্যাহত থাকিব বুলি বিভাগটোৱে প্ৰকাশ কৰিছে। উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, ঝাৰখণ্ড, বিহাৰ, পশ্চিমবংগ, ওড়িশা, পাঞ্জাব আৰু হাৰিয়ানাৰ কোনো কোনো ঠাইত অহা ১২ জুন পৰ্যন্ত গ্ৰীষ্ম প্ৰবাহৰ সম্ভাৱনা আছে। পূব ভাৰতত কাইলৈ পৰ্যন্ত সৰ্বোচ্চ তাপমাত্ৰা আৰু ২ৰ পৰা ৩ ডিগ্ৰী বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। একেদৰে উত্তৰ-পশ্চিম ভাৰতত অহা ৪ দিনৰ সৰ্বোচ্চ তাপমাত্ৰা আৰু ৩ৰ পৰা ৪ ডিগ্ৰী বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এ-ৰ দ্বিতীয়খন খেলত ভাৰত আজি পাকিস্তানৰ সন্মুখীন হ'ব। নিউয়ৰ্কৰ নাচাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলে নিজৰ প্ৰথমখন খেলত আয়াৰলেণ্ডক ৮ উইকেটত পৰাস্ত কৰাৰ বিপৰীতে পাকিস্তানৰ দলটো প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হাতত ৫ ৰানত পৰাজিত হৈছে।

ইপিনে গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত আজি অনুষ্ঠিত এখন খেলত ৱেষ্ট ইণ্ডিজে উগাণ্ডাক ১৩৪ ৰানত পৰাস্ত কৰে। ৱেষ্ট ইণ্ডিজে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত অভাৰত ৫টা উইকেট হেৰুৱাই ১৭৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত উগাণ্ডাই ১২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩৯ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

অষ্ট্ৰেলিয়াই যোৱানিশা বাৰ্বাডোজৰ ব্ৰীজটাউনত অনুষ্ঠিত আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ইংলেণ্ডক ৩৬ ৰানত পৰাস্ত কৰে। ইংলেণ্ডে ২০২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৬৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ হৈ জ'ছ বাটলাৰে সৰ্বাধিক ৪২ ৰান কৰে। অষ্ট্ৰেলিয়াৰ এডম জম্পা আৰু পেট কামিন্সে দুটাকৈ উইকেট দখল কৰে। এডম জম্পাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২০১ ৰান কৰে। অষ্ট্ৰেলিয়াৰ হৈ ডেভিড ৱাৰ্ণাৰে সৰ্বাধিক ৩৯ ৰান কৰে।

নিউয়ৰ্কত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত কালি দক্ষিণ আফ্ৰিকাই নেডাৰলেণ্ডছক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত নেডাৰলেণ্ডছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত

৯টা উইকেট হেৰুৱাই ১০৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৮ অভাৰ আৰু ৫টা বলত ৬টা উইকেট হেৰুৱাই ১০৬ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ ৫৯ ৰান কৰি আউট নোহোৱাকৈ থকা ডেভিড মিলাৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

ওদালগুৰি জিলাৰ টংলা দুই নং খণ্ড বিজুলীনগৰ নিবাসী ক্ৰীড়াবিদ তথা সমাজসেৱক লোহিত নাথৰ আজি পুৱা চিকিৎসাধীন অৱস্থাত গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ জ্যেষ্ঠ শাৰিৰীক নিৰ্দেশক হিচাপে কৰ্মৰত নাথৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৫ বছৰ।

০০০০০০

কৰিমগঞ্জ লোকসভা সমষ্টিত ইভিএমত অতিৰিক্ত ভোট ওলোৱাক লৈ বিতৰ্ক সৃষ্টি হোৱাৰ বাতৰিক **দৈনিক অসম, অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জ্যেষ্ঠ নেত্ৰী ছোনিয়া গান্ধী কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষা হিচাপে মনোনীত হোৱাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। নিৰ্বাচনী ফলাফলৰ পাছতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাম মন্দিৰ দৰ্শন কৰাৰ বিপৰীতে AIUDF প্ৰধান বদৰুদ্দিন আজমলে হজৰ বাবে মক্কালৈ ৰাওনা হোৱাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আৰ্থিকভাৱে দুৰ্বল ১ লাখ লোকক অসম চৰকাৰে ৰাম মন্দিৰ দৰ্শনৰ বাবে নিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দেশৰ অন্যতম মিডিয়া বেৰণ হিচাপে খ্যাত চেৰুকুৰি ৰাম'জী ৰাওৰ দেহাৱসানৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মণিপুৰৰ জিৰিবাম জিলাত হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে–

1. গ্ৰীষ্মবন্ধৰ পূৰ্বে শিক্ষকৰ বদলিকৰণ প্ৰক্ৰিয়া হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা
2. হাউলীত তেল চুৰিৰ বৃহৎ ছিণ্ডিকেট উৎখাত
3. পঞ্চায়ত নিৰ্বাচন অকলেই খেলিব বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ ঘোষণা আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত